# নেপথ্য-কথা

# 'আৰু তেতিয়াই অজ্ঞান হৈ পৰিছিলোঁ'

**নীলমণি ফুকন**



বাস্তৱৰ লগত সম্পৰ্ক যে মোৰ আগৰ কবিতাত নাছিল তেনে নহয়, সেয়া ভবেনে (ভবেন বৰুৱা ) দেখুৱাই থৈছে কেনেকৈ ই তলিত পৰি থাকে। কিন্তু ১৯৭৮ চনমানৰপৰা কিছুমান ওপৰৰ বস্তু আহিল, কথাবোৰ স্পষ্ট হৈ পৰিল। মই কাহানিও শ্লোগান দিয়া নাই ৰাস্তালৈ গৈ, সমদলত থিয় দিয়া নাই, ৰাজহুৱা বিবৃতি দিয়া নাই গতিকে এইটো সময়ত যিটো পৰিৱেশ হ'ল সেই পৰিৱেশত ৰিয়েক্ট কৰাৰ মোৰ এইটোৱেই উপায় আছিল। এনেকুৱা এটা যন্ত্ৰণা হৈছিল সেইসময়ত গতিকে লিখিয়েই মই উপশম পাইছিলোঁ। মই যি বাস্তৱ সদায় দেখি আহিছিলোঁ সেই বাস্তৱৰ এটা বেলেগ সময়ত, সেইসময়ত দেখিছিলোঁ। আন্দোলনৰ গোটেই কাৰবাৰটো ইতিবাচক নে নেতিবাচক ক'বলৈ নাযাওঁ —কিন্তু হত্যাৰ যি কদৰ্য ৰূপ, সেয়া মই দেখা পালোঁ। ইয়াত (গুৱাহাটীত ) থাকিয়েই দেখা পালোঁ। নেলীলৈ মই যাম বুলি ভাবিছিলোঁ মুকালমুৱালৈ যাম বুলি ভাবিছিলোঁ। যোৱা নহ'ল। ঘৰৰ ওচৰতে (পংকা) সাতজনক গুলীয়াই মাৰিলে। তালৈও যোৱা নহ'ল। দুৰৈৰপৰাই কৰো বুলি নহয়, অজ্ঞাতে স্বতঃস্ফূৰ্তভাৱে কবিতাৰ মাধ্যমেৰে মই মোৰ ৰিয়েক্চন আগবঢ়াইছিলোঁ। মুকালমুৱাৰ ঘৰবোৰত যে এফালৰ পৰা জুই লগাই দিছিল বাতৰি কাকতত সেই নিউজটো ওলোৱাৰ পিছদিনাই নে সেইদিনাই মনত পেলাব পৰা নাই — হৰেকৃষ্ণ ডেকা তেতিয়া ইয়াৰ এচ পি — তেওঁৰ তালৈ গ'লোঁ — তেওঁ তেতিয়া তাৰপৰা আহি সোমাইছে মাত্ৰ — বিমৰ্ষ ভাগৰুৱা — দুই-এটা কথা ঘৈণীয়েকৰ সৈতে পাতি গুচি আহিলোঁ — সেইদিনা গ'ল — গোটেই ৰাতি শুব পৰা নাই, তাৰ পিছদিনাও গ'ল, তৃতীয় দিনা ৰাতি কবিতাটো লিখিলোঁ। কবিতা সংকলনৰ চল্লিশ নম্বৰ কবিতাটো —

কবিতাৰ ৰসায়ন বৰ আচৰিত বস্তু। ক'ৰপৰা কি বস্তু আহি লগ লাগে কবিয়েও গম নাপায়। এই কবিতাটো প্ৰথম চাৰি শাৰীৰ আঁৰৰ ইমেজটো কিন্তু মুকালমুৱাৰ নহয়। তাহানিতে cine chun diany of a mad man এখন চিনেমা চাইছিলোঁ চিনে ক্লাবত। আইনাৰ বাকচ এটাত নগ্ন মানুহ এজন সোমাই থাকে গোটেই ছবিখন সেইটোৱেই। সাংঘাতিক ধৰ্মশলা। সেই মৰ্মস্পৰ্শী ইমেজটো আহি লগ লাগিল। মুকালমুৱা আৰম্ভ হৈছে ন নম্বৰ শাৰীটোৰ পৰা। ইয়াত গহপুৰো লগ লাগিছে — গহপুৰত যে মানুহৰ ভঁৰাল ঘৰবোৰ জ্বলাই দিছিল — কেইবাদিনো ধৰি জ্বলিছিল সেই জুই। কবিতাটোত মুকালমুৱা শব্দটোৰ উল্লেখ নাই। পাঠকে হাত মেলিলেই পোৱাতে মই কবিতাবোৰৰ পৃষ্ঠভূমি থোৱা নাই। নেলী, গহপুৰ, পংকাক লৈ লিখা কবিতাবোৰতো এইবোৰ ঠাইৰ নাম উল্লেখ নাই। সেই পৰিৱেশ, সেই সামাজিক-ৰাজনৈতিক হিংসা হত্যাৰ পৰিৱেশৰ লগত যাৰ পৰিচয় আছে তেওঁলোকে জানিব। মুকালমুৱাৰ কবিতাটো পঢ়িলে গম পাবা সেই ঘটনাটো এটা নিমিত্ত মাথোন। ইতিমধ্যেই তেনেকুৱা এটা মন বা তেনেকুৱা কিছুমান অভিজ্ঞতা, অনুভূতি পকি আছে মোৰ মনৰ ভিতৰত, নহ'লে এইবোৰে কবিতা মই লিখিব নোৱাৰোঁ। ঠিক সেইদৰে টেলিগ্ৰাফ কাকতত নেলীৰ সেই ভয়ংকৰ হত্যাকাণ্ডৰ ফটোগ্ৰাফ দেখি সেই ৰাতিয়েই লিখিছিলোঁ নৃত্যৰতা পৃথিৱীৰ উনৈছ নম্বৰৰ কবিতাটো। কবিতা সংকলনৰ বিয়াল্লিছ নম্বৰ কবিতাটো একে সময়ৰ। এওঁ গোলাঘাটলৈ গৈছিল। ঘুৰি আহি মোক ক'লেহি ধনশিৰি নৈত গাভৰু এজনী ওপঙি আছে — মূৰটো নাই। মোক কথাটোৱে খুব কষ্ট দিছিল। এই ঘটনাবিলাক, যিবোৰ বাস্তৱ ঘটনা, একো একোটা igniting factor বা point of beginnining হে, end নহয়। মোৰ কবিতাৰ আচল চৰিত্ৰ মই এইবোৰ কবিতাতো বৰ্জন কৰা নাই।



**এক**

আৰু তেতিয়াই অজ্ঞান হৈ পৰিছিলোঁ
জ্ঞান পাই দেখোঁ
বন্ধ কোঠা এটাত নাঙঠ হৈ
হুকহুককৈ কান্দি আছোঁ

খিৰিকীখনৰ কাঁচৰ এতিযা তুমি
মোলৈ চোৱা বা নোচোৱা
হাঁহা বা নেহাঁহা
কান্দা বা নেকান্দা

গাঁওখন তেতিয়া এজাক
ঢোৰা-কাউৰী হৈ উৰি গ'ল
কুকুহা হৈ ধানবোৰ
পকা ডালিমৰ গুটিৰ দৰে মাতবোৰ
যেতিয়া ছাই হ'ল

**দুই**

কথাটো বৰ সাংঘাতিক
নিজৰ চকু দুটা নিজে কাটি
হাতত লৈ ফুৰাৰ দৰে
বৰ সাধাৰণ
পাৰ এযোৰ পোহাৰ দৰে।

**তিনি**

লঘোণীয়া বুঢ়ীজনীয়ে ক'লে
'বোপাই আৰু নক'বি
পানী গুচি শিল হ'ল
অন্ন গুচি বিহ হ'ল

চাব নোৱাৰোঁ
শুনিব নোৱাৰোঁ
ক'ব নোৱাৰোঁ
ভাবিব নোৱাৰোঁ
খাব নোৱাৰোঁ
শুব নোৱাৰোঁ

**চাৰি**

হায় জীয়াই জীয়াই মানুহটোক,
দৃশ্যটো বৰ পুৰণি

মানুহটো উখহি গৈছিল



তেজ বমি কৰিছিল
নৰ্দমাত বাগৰি পৰিছিল
মুখখনৰ এফাল
এৰাই গৈছিল

তাৰ পিছতো
বুটেৰে গুৰিয়াই দাঁতবোৰ
ভাঙি পেলাইছিল
গুপ্তাঙ্গত জুই লগাই দিছিল
আৰু......

**পাঁচ**

অ' ক'ব খুজিছিলোঁ
জ্বলি থকা চিতাৰ পৰা মানুহটো
কেনেকৈ উঠি আহিছিল

গাৰ পৰা কেঁচা হালধিৰ দৰে
এটা গোন্ধ ওলাইছিল
মাজনিশা জোঁৰ এটাঁৰ লৈ দৌৰি অহা
ল'ৰাটোৰ নিচিনা হৈছিল
মানুহটো
সৰ্বাঙ্গত যেন তাৰ খলকি উঠিছিল
বাৰিষাৰ ভৰলী কপিলী....

**ছয়**

দৃশ্যটো বৰ সাংঘাতিক
বৰ সাধাৰণ

ক'ব খুজিছিলোঁ
এই আছে নাই নহয় হ'ব পায়।
মাজতো যেতিয়াতুমি
যেতিয়া সকলো কথাই অৱশ্যম্ভাৱী
মানুহ হৈও তুমি

খিৰিকীখনৰ কাঁচেৰে তুমি
মোলৈ চোৱা বা নোচোৱা
কান্দা বা নেকান্দা
হাঁহা বা নাহাঁহা

মাক মই এতিয়া কি কওঁ
কেনেকৈ কওঁ
মোৰ জন্ম নোহোৱা হ'লে
মোৰ ভাত মুঠি......



OKDISCD